**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। ক'ভিড কালক বাদ দি যোৱা এটা দশকত অসমৰ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৩ৰ পৰা ১৫ শতাংশ হাৰত বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে অসম আৰক্ষীয়ে বাংলাদেশী সন্দেহত আটক কৰা ১৫০ জন লোকক বি এছ এফক হস্তান্তৰ।
৩। চলিত বছৰতে শিলচৰৰ গ্ৰীণফিল্ড বিমান বন্দৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীক কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৰ প্ৰতিশ্ৰুতি।
৪। মণিপুৰৰ পৰিস্থিতি সন্দৰ্ভত আজি গৃহমন্ত্ৰালয়ৰ সৈতে ক'ক'মীৰ প্ৰতিনিধিৰ আলোচনা। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে পাঞ্জাব কিংছৰ ৭ উইকেটত জয়লাভ।

০০০০০০

ক'ভিড কালক বাদ দি যোৱা এটা দশকত অসমৰ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৩ৰ পৰা ১৫ শতাংশ হাৰত বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। চলিত বছৰত গুৱাহাটী অনুষ্ঠিত এডভাণ্টেজ আছামৰ তৃতীয় সংস্কৰণত ইয়াৰ প্ৰভাৱ প্ৰতিফলিত হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। কালি দেশৰ ইলেকট্ৰনিকছ খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিৰ সৈতে দিল্লীত অনুষ্ঠিত আছাম ইলেকট্ৰনিকছ ৰাউণ্ড টেবুল ২০২৫ শীৰ্ষক সন্মিলনত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। অসম উত্তৰ-পূৰ্বাঞ্চলৰ কেন্দ্ৰস্থলত অৱস্থিত হোৱাৰ লগতে কৌশলগত দিশৰ পৰা ভূটান আৰু বাংলাদেশৰ সৈতে সীমান্ত সংলগ্ন হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিনিয়োগৰ বাবে সুবিধাজনক স্থান বুলি তেওঁ উল্লেখ কৰে। এডভাণ্টেজ আছামৰ তৃতীয় সংস্কৰণত ৰাজ্যখনে চাৰে ৫ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে অসমত বিনিয়োগৰ বাবে সম্প্ৰতি উপযুক্ত সময় বুলি উল্লেখ কৰি বিভিন্ন উদ্যোগৰ প্ৰতিনিধিসকলক ৰাজ্যখনত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

**বাইট (চি এম)**

ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অসমত ইতিমধ্যে ১১ খন পঞ্চতাৰকা হোটেল স্থাপনত অনুমোদন জনোৱাৰ লগতে ৩খন উপগ্ৰহীয় নগৰ গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ইয়াৰ ভিতৰত টাটাৰ উদ্যোগত জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ সমীপত স্থাপন কৰিবলগীয়া জাগীৰোড ইণ্টিগ্ৰেটেড ছেটেলাইট টাউনশ্বিপৰ বিষয়ে তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে টাটাই এই প্ৰকল্পটোৰ পৰা দৈনিক ৪ কোটি ৮০ লাখতকৈ

অধিক চিপ উৎপাদিত হ'ব। এই প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় দক্ষতা আহৰণ কৰিবলৈ গুৱাহাটী ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা যুৱক-যুৱতীক বেংগালুৰুলৈ প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে এছিয়ান ডেভেলপমেণ্ট বেংকৰ সহযোগত এহেজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া অসম দক্ষতা বিশ্ববিদ্যালয়ৰ বিষয়েও উল্লেখ কৰে। অসমত ইলেকট্ৰনিকছ্ উদ্যোগ গঢ়ি তোলাৰ বাবে ভূমিৰ আৱণ্টনৰ লগতে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা বিভিন্ন সুবিধা আৰু ৰাজ্য চৰকাৰৰ ৬০ শতাংশৰো অধিক অনুদান তথা ১০০ শতাংশ জি এছ টি উভতাই দিয়াৰ বাবে বিনিয়োগকাৰীসকলক মুখ্যমন্ত্ৰীয়ে সম্ভাব্য প্ৰতিশ্ৰুতি দিয়ে। তেওঁ বিনিয়োগকাৰীসকলক জাগীৰোডৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য এইধৰণৰ ৰাউণ্ড টেবুল বৈঠক পৰৱৰ্তী পৰ্যায়ত মুম্বাই, বেংগালুৰু, চেন্নাই আৰু হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশমৰ্মে অসম আৰক্ষীয়ে অভিযান চলাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বাংলাদেশী সন্দেহত আটক কৰা দুহেজাৰৰো অধিক লোকৰ ভিতৰত ১৫০ জন লোকক সীমান্ত সুৰক্ষা বাহিনীক হস্তান্তৰ কৰিছে। এই লোকসকলক পুনৰ বাংলাদেশলৈ প্ৰেৰণৰ বাবে বি এছ এফে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। যোৱা শনিবাৰৰ পৰা কালিপৰ্যন্ত গোলাঘাটৰ মৰঙী আৰু নুমলীগড়ৰ আৰক্ষীয়ে ৫১ জন সন্দেহজনক লোকক আটক কৰিছে। আটক কৰা লোকসকলৰ অধিকাংশই নুমলীগড় শোধনাগাৰত শ্ৰমিক হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে গৃহ মন্ত্ৰালয়ে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ অবৈধ বাংলাদেশী আৰু ম্যানমাৰৰ ৰহিংগীয়া নাগৰিকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ বিমান যাত্ৰীৰ সংখ্যা বৃদ্ধি কৰাৰ উদ্দেশ্যে **উড়ান আঁচনি**ৰ পুনৰীক্ষণত গুৰুত্ব আৰোপ কৰা হৈছে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে কালি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কালি নতুন দিল্লীত বিষয়টো সন্দৰ্ভত আলোচনা কৰি শ্ৰী নাইডুৱে যোৰহাট-ডিব্ৰুগড় আৰু শিলচৰক আন কেইবাখনো চহৰৰ সৈতে সংযুক্ত কৰাৰ কথা প্ৰকাশ কৰিছে। অসম তথা উত্তৰ পূৰ্বাঞ্চলত বিমান যোগাযোগ আৰু অসমৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ বিষয়ত অধিক গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে হোৱা আলোচনাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে চলিত বছৰতে শিলচৰৰ গ্ৰীণফিল্ড বিমান বন্দৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব। কালিৰ আলোচনাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ধুবুৰীৰ ৰূপসী বিমান বন্দৰৰ সম্প্ৰসাৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীক দিয়া প্ৰতিশ্ৰুতিও তেওঁ সামাজিক মাধ্যমত ৰাজহুৱা কৰিছে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতেও গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত প্ৰতিৰক্ষা কৰিড'ৰ স্থাপনৰ বিষয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰে আলোচনা কৰে।

০০০০০০

মণিপুৰক অপমান কৰাৰ অভিযোগত ৰাজ্যখনত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতি অব্যাহত আছে। ভাৰতীয় সেনাৰ এটা দলে মণিপুৰ ৰাজ্যিক পৰিবহন বিভাগৰ বাছৰ পৰা মণিপুৰ শব্দটো আঁতৰাবলৈ ৰাজ্যখনৰ সাংবাদিকৰ এটা দলক নিৰ্দেশ দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ পাছত প্ৰতিবাদকাৰীসকলে ৰাজ্যখনৰ

ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক ক্ষমা খোজাৰ দাবী জনাই আহিছে। **কো-অৰ্ডিনেটিং কমিটী অন মণিপুৰ ইণ্টিগ্ৰেটি** চমুকৈ ক'ক'মীয়ে আহ্বান জনোৱা প্ৰতিবাদৰ প্ৰতি সঁহাৰি জনাই হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে প্ৰতিবাদ অব্যাহত ৰখাৰ পাছত কেন্দ্ৰীয় চৰকাৰে আজি প্ৰতিবাদী সংগঠনটোৰ সৈতে আলোচনাত মিলিত হ'ব। গৃহ মন্ত্ৰালয়ৰ প্ৰতিনিধিৰ সৈতে নতুন দিল্লীত আজি আলোচনাত মিলিত হোৱাৰ বাবে কালি সংগঠনটোৰ ৭ জনীয়া এটা দল দিল্লীলৈ ৰাওনা হয়। আজি এই দলটোৱে গৃহমন্ত্ৰালয়ৰ বিষয়ববীয়াসকলৰ সৈতে মণিপুৰৰ সংঘাত সন্দৰ্ভত আলোচনাত মিলিত হ'ব।

০০০০০০

কাছাৰ আৰক্ষী আৰু আছাম ৰাইফলছে যোৱা নিশা অভিযান চলাই জিলাখনৰ পূব ধলাইৰ মোহনখাল, ৰাম মানিকপুৰ গাঁও পঞ্চায়তৰ স্মিথ নগৰ বনগাঁৱৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু মাদক দ্ৰব্যসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীজনৰ পৰা ৫৬টা চাবোনৰ বাকচত ৬৪৮ গ্ৰাম হেৰ'ইন উদ্ধাৰ কৰা হয়। এই হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় চাৰে ৩ কোটি হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। লোকজনৰ পৰা এটা পিষ্টল, দুটা মেগজিন আৰু ১৯টা গুলী জব্দ কৰা হয়। ধৃত লোকজন লক্ষীপুৰ থানা এলেকাৰ দিলকুচ গ্ৰাণ্টৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰেৰ ভাৰতীয় বন সেৱা বিষয়াৰ পৰিবেশ তন্ত্ৰ স্বাস্থ্য পত্ৰ প্ৰস্তুতকৰণ শীৰ্যক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ আয়োজন কৰিছে। পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থসাহায্যত অনুষ্ঠিত এই কৰ্মশালাত দেশৰ ৭ খন ৰাজ্যৰ ১০ গৰাকী উচ্চ পদস্থ বিষয়াই অংশগ্ৰহণ কৰিছে। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী তথা পাঠ্যক্ৰম সঞ্চালক ৰাজীৱ কুমাৰ কলিতাৰ দ্বাৰা পৰিচালিত এই প্ৰশিক্ষণত পৰিবেশ তন্ত্ৰ সেৱা, জীৱিকা আৰু পৰিবেশতন্ত্ৰ স্বাস্থ্য পত্ৰ, সমতূল্য অৰ্থনৈতিক মূল্য চিনাক্তকৰণ আদি বিভিন্ন দিশ সামৰি অভিজ্ঞ সমল ব্যক্তিয়ে প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষণৰ লগত সংগতি ৰাখি আজি প্ৰশিক্ষাৰ্থীসকলক শিৱসাগৰৰ বৰপুখুৰীত পৰিবেশতন্ত্ৰ স্বাস্থ্য পত্ৰৰ তথ্য সংগ্ৰহৰ বাবে লৈ যোৱা হয়। বন বিষয়াসকলে এই প্ৰশিক্ষণৰ অংশ হিচাপে জৈৱ বৈচিত্ৰ আৰু পৰিবেশতন্ত্ৰ অধ্যয়নৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব।

০০০০০০

ক'টন কলেজ প্ৰতিষ্ঠাৰ ১২৫ বছৰীয়া দিৱসৰ সৈতে সংগতি ৰাখি আজি প্ৰাক্তন কটনিয়ানৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি বিয়লি কটন এলমনাই ভৱনত আয়োজিত এই অনুষ্ঠানত শতায়ু গৰকা প্ৰাক্তন কটনিয়ান ডাঃ চিৰাজুল হক, সত্যকৃষ্ণ মিশ্ৰ আৰু ৯০ বছৰৰ ঊৰ্ধৰ প্ৰফুল্ল গোবিন্দ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° দয়ানন্দ পাঠকে প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বক্তৃতা আগবঢ়াব। অনুষ্ঠানত প্ৰাক্তন কটনিয়ান শিল্পীসকলে সংগীত পৰিৱেশন কৰিব। এই অনুষ্ঠানত সকলো প্ৰাক্তন কটনিয়ানৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

০০০০০০

অঙ্গনবাড়ী কেন্দ্ৰসমূহত সেৱাৰ মান উন্নত কৰাৰ লক্ষ্যৰে কালি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ, ধেমাজি আৰু শিৱসাগৰ জিলাত অঙ্গনবাড়ী কৰ্মীসকলৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে। শিৱসাগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে ৯০ গৰাকী অঙ্গনবাড়ী কৰ্মীক স্মাৰ্ট ফোন প্ৰদান কৰে। ডাঃ পেগুৱে সমাজ কল্যাণ বিভাগৰ এই পদক্ষেপে তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ ডিজিটেল সৱলীকৰণৰ দিশত উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। ডাঃ পেগুৱে অঙ্গনবাড়ী কৰ্মীসকলক শিশুৰ যত্ন আৰু পৰিপুষ্টি তথা বিকাশৰ প্ৰতি গুৰুত্ব আৰোপেৰে জিলাখনৰ কেন্দ্ৰসমূহৰ পৰিচালনাত নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে তেওঁ ধেমাজি সমষ্টিৰ ৩৭৬ গৰাকী আৰু লখিমপুৰত ৩ হেজাৰ গৰাকী অঙ্গনবাড়ী কৰ্মীৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে।

০০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালৰ স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু চিকিৎসা মহাবিদ্যালয়খনৰ উন্নয়ন তথা ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে আলোচনাৰ বাবে কালি মন্ত্ৰী প্ৰশান্ত ফুকনৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে স্বাস্থ্য সেৱা উন্নত কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰাৰ লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰে। বৈঠকত জিলাখনৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, চাবুৱাৰ বিধায়ক পোনাকন বৰুৱা, চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডা০ সঞ্জীৱ কাকতিকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পাঞ্জাবে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ শীৰ্ষ দুটা দলৰ মাজত নিজৰ স্থান সুনিশ্চিত কৰে। দলটোৱে লগতে অহা বৃহস্পতিবাৰে ছণ্ডিগড়ত হ'বলগীয়া প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলৰ বাবেও যোগ্যতা অৰ্জন কৰে। কালিৰ খেলখনত ১৮৫ ৰানৰ জয়ৰ লক্ষ্যৰে খেলি দলটোৱে ১৮ অভাৰ আৰু ৩ টা বলত তিনিটা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ জছ ইংলিছে ৭৩ আৰু প্ৰিয়াংশ আৰ্যই ৬২ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে জছ ইংলিছক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাইৰ মিছেল ছেণ্টনাৰে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৮৪ ৰান কৰে। পাঞ্জাবৰ অৰ্শদীপ সিং, মাৰ্কো জেনছেন আৰু বিজয় কুমাৰে দুটাকৈ আৰু হৰপ্ৰীত ব্ৰাৰে এটা উইকেট দখল কৰে। এই জয়ৰ সুবাদত পাঞ্জাবৰ দলটো সম্প্ৰতি পইণ্ট তালিকাৰ শীৰ্ষত আছে। প্লে অফ পৰ্যায়ত মুম্বাইয়ে শুকুৰবাৰে এলিমিনেটৰ খেলখনত অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০০

যোৰহাটৰ সমাজকৰ্মী তথা সংগঠক, শিশু প্ৰেমী বুধিন শইকীয়াৰ কালি মৃত্যু হয়। পুৱা বান্দৰ খেদিবলৈ গৈ হঠাৎ অচেতন হৈ পৰা শইকীয়াক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎকে মৃত ঘোষণা কৰে। সদৌ অসম মইনা পাৰিজাতে শিশু বন্ধু আৰু অগ্ৰণী অনুষ্ঠান সেৱাই শিশুহিতব্ৰতী সন্মান আগবঢ়োৱা শইকীয়াৰ মৃত্যুত বয়স হৈছিল ৮৭ বছৰ। তেওঁ ১৯৬২ চনত কল্যাণী শিশু কেন্দ্ৰ গঠন কৰি সমাজলৈ সেৱা আগবঢ়াই আহিছিল।

০০০০০০

সৰ্বভাৰতীয় কংগ্ৰেছ নেতৃত্বই যোৰহাটৰ সাংসদ গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰূপে নিযুক্তি দিছে। এই বাতৰি অন্যান্য কাকতৰ লগতে অসমীয়া প্ৰতিদিন কাকতে **কংগ্ৰেছৰ ২৬ৰ সেনাপতিৰ দায়িত্বত গৌৰৱ গগৈ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

গুজৰাটৰ দাহোড জিলাত কালি এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক চুবুৰীয়া দেশ পাকিস্তানৰ প্ৰতি পুনৰ কঠোৰ বাৰ্তা প্ৰেৰণ কৰিছে। এই বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

বাংলাদেশত যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি দেশখনৰ অন্তৰৱৰ্তী চৰকাৰৰ মুৰববী মহম্মদ ইউনুছে মন্তব্য কৰিছে। এই বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

অসমত ডিফেন্স ক'ৰিডৰৰ জৰিয়তে দেশৰ পূব সীমান্তত নিয়োজিত সেনাবাহিনী উপকৃত হ'ব। অসমত ডিফেন্স ক'ৰিডৰ স্থাপনৰ বিষয়টো কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ে গুৰুত্বসহকাৰে বিবেচনা কৰিছে। **ৰাজ্যত ডিফেন্স ক'ৰিডৰৰ প্ৰস্তাৱ** শিৰোনামেৰে আমাৰ অসম কাকতে বাতৰি প্ৰকাশ কৰিছে।

অহা ১৯ জুনত অসমৰ দুখন আসনৰ বাবে ৰাজ্যসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। বিজেপিৰ মিছন ৰঞ্জন দাস আৰু অগপৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই খালী হ'বলগীয়া আসন দুখনৰ বাবে নিৰ্বাচন আয়োগে ২ জুনত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰিব। এই বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কংগ্ৰেছৰ অভিযোগ নস্যাৎ কৰি বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে কয়, যে অপাৰেচন সিন্দূৰৰ পূৰ্বে পাকিস্তানক অৱগত কৰোৱা নাছিল। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

অসমত বিনিয়োগ কৰাৰ এয়া সোণালী সময়। নতুন দিল্লীত অনুষ্ঠিত আছাম ইলেকট্ৰনিকছ ৰাউণ্ড টেবুল ২০২৫ত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমত বিনিয়োগ কৰিবলৈ বিনিয়োগকাৰী সকললৈ আহ্বান জনাইছে। এই বাতৰি দা ছেণ্টিনেল কাকতৰ।

India must step up drive to deport Bangla migrants শিৰোনামাৰে দি আছাম ট্ৰিবিউন কাকতে অবৈধ বাংলাদেশীক বহিষ্কাৰৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা সৰৱ হৈ পৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

oooooo

সমাপ্ত